# তুলনামূলক সাহিত্যৰ পদ্ধতি বিজ্ঞান

একশ্ৰেণীৰ পণ্ডিতে ক'ব খোজে যে বিষয়বস্তুৰ বিস্তৃতি আৰু সমস্যাৰ বিবিধতাৰ কাৰণে তুলনামূলক সাহিত্যৰ কোনো বিশিষ্ট আৰু স্বতন্ত্ৰ কাৰ্যপদ্ধতি নাই। A. Owen Aldridge নামৰ পণ্ডিতৰ মতে একাধিক সাহিত্যৰ পৰা বিষয়বস্তু গ্ৰহণ কৰাৰ কাৰণে বিষয়বস্তুৰ বিস্তৃতিৰ বাহিৰে সৈদ্ধান্তিক দৃষ্টিৰে একক সাহিত্যৰ অধ্যয়ন আৰু তুলনামূলক সাহিত্যৰ অধ্যয়নৰ মাজত কোনো পাৰ্থক্য নাই। (দ্ৰষ্টব্য : তুলনাত্মক সাহিত্য কী ভূমিকা, পৃঃ 43)। কোনো কোনোৰ মতে তুলনামূলক সাহিত্য সাহিত্যৰ আলোচনা বা সাহিত্যৰে পৰ্যায় বিশেষ। Henry H.H. Remak-ৰ মতে ইয়াৰ কোনো স্বতন্ত্ৰ পদ্ধতি নাই আৰু তাৰ কোনো প্ৰয়োজনো নাই। Rene Wellek-ৰ মতে তুলনামূলক সাহিত্যৰ স্পষ্ট বিষয়বস্তু অথবা নিশ্চিত কাৰ্যপদ্ধতিৰ আজিও প্ৰতিষ্ঠা হোৱা নাই। (তুলনাত্মক সাহিত্য কী ভূমিকা, পৃঃ 44)। এওঁৰ মতে তুলনামূলক সাহিত্য সাহিত্যৰে এক অংগ বিশেষ। সাহিত্য মানৱৰ অন্য ক্ৰিয়া-কলাপসমূহতকৈ বেলেগ আৰু সাহিত্যিকতাৰ নিৰ্ণয়েই তাৰ একমাত্ৰ অধ্যয়ন বিষয়। কিন্তু বাস্তৱক্ষেত্ৰত, তুলনামূলক সাহিত্যৰ সম্পূৰ্ণ নিজা কিছুমান সমস্যা, বিষয় আছে আৰু সেয়েহে ইয়াৰ বাবে বিশেষ যোগ্যতা আৰু কাৰ্যপদ্ধতিৰ নিতান্তই প্ৰয়োজন আছে।

তুলনামূলক সাহিত্যৰ তিনিটা প্ৰধান সম্প্ৰদায়ৰ বিষয়ে আমি আগতে আলোচনা কৰি আহিছোঁ। এই প্ৰধান সম্প্ৰদায় কেইটাই আপাততঃ তিনিধৰণৰ ভিন্ন দৃষ্টিভংগী গ্ৰহণ কৰা যেন লাগিলেও আগতেই উল্লেখ কৰা হৈছে যে প্ৰকৃততে এইসমূহৰ কোনোটোকেই স্বতন্ত্ৰ আৰু স্বয়ংসম্পূৰ্ণ বুলিব নোৱাৰি। বৰঞ্চ পৰস্পৰ পৰিপূৰক আখ্যা দিয়াহে অধিক সমীচীন হ'ব। ভাৰতীয় ভাষাত তুলনামূলক সাহিত্যসম্পৰ্কীয় প্ৰথমখন পুস্তকৰ ৰচয়িতা ডঃ ইন্দ্ৰনাথ চৌধুৰীৰ মতে এই তিনি ধৰণৰ দৃষ্টিভংগীক সুব্যৱস্থিতভাৱে পৰস্পৰ সম্বদ্ধ কৰিলে তুলনামুলক সাহিত্যৰ সামগ্ৰিক কাৰ্যপদ্ধতি নিৰ্দ্ধাৰিত কৰিব পৰা দুটা মূল নিয়ম স্পষ্ট হৈ পৰে। সেই নিয়ম দুটা হ'ল—(১) সাহিত্যৰ ইতিহাস সন্দৰ্ভবাদ বা অন্তৰাষ্ট্ৰীয় সন্দৰ্ভত সাহিত্যৰ ইতিহাস। (২) তুলনামূলক আলোচনা।

Scanned with CamScanner

এই দুই নিয়ম বা সিদ্ধান্তক আধাৰ হিচাপে গ্ৰহণ কৰি তুলনামূলক সাহিত্যই একাধিক সাহিত্যৰ তুলনামূলক বিশ্লেষণৰ সহায়ত সিবিলাকৰ সাদৃশ্য সম্বন্ধ, পৰম্পৰা তথা প্ৰভাৱসূত্ৰৰ অনুসন্ধান কৰে।

ওপৰৰ আলোচনাৰ ভিত্তিত তলত তুলনামূলক সাহিত্য অধ্যয়নৰ মূল পদ্ধতি কেইটিৰ চমু পৰিচয় দাঙি ধৰা হৈছে ঃ

**(১) সাদৃশ্য সম্বন্ধমূলক পদ্ধতি ঃ**

A. Owen Aldridge-ৰ মতে সাদৃশ্য সম্বন্ধমূলক অধ্যয়নত অন্তৰ্ৰাষ্ট্ৰীয় সন্দৰ্ভবাদৰ আধাৰত দুই কৃতিৰ সাহিত্যিক শৈলী, সংৰচনা (Structure) মুড (mood) বা বিচাৰ (idea) ৰ সামগ্ৰিক বা ইয়াৰ যিকোনো এটা দিশৰ আলোচনা হ'ব পাৰে। N.E. Viswanatha Iyer-ৰ মতে সাদৃশ্যমূলক অধ্যয়ন অনেক প্ৰকাৰৰ হ'ব পাৰে। তাৰে এটা সাধাৰণ প্ৰকাৰ তেওঁ তলত দিয়া ধৰণেৰে ব্যাখ্যা কৰিছে (দ্ৰষ্টব্য ঃ অনুবাদ ঃ ভাষায়েঁ সমস্যায়েঁ পৃঃ 91)-" An analogy is a parallel study of two works without necessarily implying a direct relationship. An analogy or affinity study may involve two writers of two different literatures widely separated by time and place which, when systematically done, may become a study of two cultures of which the writers compared turn out to be meaningful products.")।

থূলমূলকৈ ক'বলৈ গ'লে—সাদৃশ্য সম্বন্ধমূলক অধ্যয়নত অধ্যয়নীয় কৃতিসমূহ বা লেখকসমূহৰ মাজত পাৰস্পৰিক প্ৰভাৱ বা কোনো ধৰণৰ কাৰ্যকাৰণ সম্বন্ধ নেথাকে। এনেধৰণৰ অধ্যয়ন সাদৃশ্যমূলকো হ'ব পাৰে বা বৈষম্যমূলকো হ'ব পাৰে। ডঃ ইন্দ্ৰনাথ চৌধুৰীয়ে তুলনামূলক সাহিত্যৰ এই অধ্যয়ন পদ্ধতিক 'Polygenetic' আখ্যা দিয়াটো বিশেষ মন কৰিবলগীয়া (পৃঃ 47)। এই পদ্ধতিত কোনো প্ৰভাৱসূত্ৰ, কাৰ্যকাৰণ সম্বন্ধ অথবা অধ্যয়নীয় বিষয়সমূহৰ মাজৰ কোনো ধৰণৰ সাধাৰণ তত্ত্বক আধাৰ হিচাপে নোলোৱাকৈ সমান্তৰতাৰ আধাৰত অধ্যয়নীয় বিষয়সমূহৰ আলোচনা কৰা হয়।

সাদৃশ্য সম্বন্ধমূলক অধ্যয়নৰ এটা ৰূপে একেধৰণৰ ঐতিহাসিক, সামাজিক পটভূমিক আশ্ৰয় কৰি একাধিক কৃতি বা কৃতিকাৰৰ আলোচনা কৰে।

এই পদ্ধতিৰ অন্তৰ্গত, কেতিয়াবা এক বিশেষ সময়ৰ, একাধিক দেশৰ বা সংস্কৃতিৰ, একাধিক কৃতি অথবা কৃতিকাৰৰ আলোচনা কৰি একেধৰণৰ সাহিত্যিক লক্ষণ বা প্ৰবৃত্তি (trend) বিলাকৰ উন্মোচন কৰা হয়।

তুলনামূলক সাহিত্যৰ সাদৃশ্য সম্বন্ধমূলক অধ্যয়নে সামাজিক অৱস্থা তথা সাহিত্যিক বিকাশৰ সাধাৰণ নিয়মসমূহৰ বিষয়ে অনেকানেক প্ৰশ্নৰ সমাধান দিব

Scanned with CamScanner

পাৰে। প্ৰত্যেক সাহিত্যৰ ঐতিহাসিক তথা জাতীয় চৰিত্ৰ স্পষ্ট কৰি তোলাত সহায় কৰে। এই পদ্ধতিৰে বিভিন্ন সমাজ, বিভিন্ন সংস্কৃতি-পৰিস্থিতিত অভিব্যক্তি লাভ কৰা সাহিত্যৰ সামগ্ৰিক বিচাৰ-বিশ্লেষণ সম্ভৱ হৈ উঠে। তদুপৰি সাহিত্যৰ ক্ষেত্ৰত অভিব্যক্তিৰ সমতা বা বিষমতাৰ কাৰণ নো কি, সাহিত্যৰ চিত্ৰকল্প আদি বিভিন্ন বিষয়ৰ পুনৰাবৰ্ত্তনৰ কাৰণ আৰু প্ৰকৃতি (Nature) কি, লেখকৰ অন্তৰ্ৰাষ্ট্ৰীয় সমাজৰ ধাৰণাৰ যুক্তিযুক্ততা কি আদি ধৰণ অসংখ্য প্ৰশ্নৰ সমাধানৰ সম্ভাৱনা সাহিত্যৰ সাদৃশ্য সম্বন্ধমূলক অধ্যয়নত নিহিত হৈ আছে।

(২) **পৰম্পৰা অধ্যয়ন পদ্ধতি**

অন্তৰ্ৰাষ্ট্ৰীয় সন্দৰ্ভবাদৰ আশ্ৰয়ত তুলনামূলক সাহিত্যৰ এই পদ্ধতিয়ে সাহিত্যত বৰ্ণিত বিভিন্ন ৰাষ্ট্ৰীয় পৰম্পৰা ধাৰণাসমূহৰ শুদ্ধতা আৰু অশুদ্ধতা সম্পৰ্কে অনুসন্ধান আৰু নিৰ্ণয় গ্ৰহণ কৰে। পৰম্পৰা অধ্যয়নো এক প্ৰকাৰে ক'বলৈ গ'লে দুই বা ততোধিক কৃতিৰ মাজত হোৱা সাদৃশ্যমূলক অধ্যয়ন। এই পদ্ধতিত অধ্যয়নীয় কৃতিসমূহ সমানধৰ্মী কৃতিৰ এক বৃহৎ শ্ৰেণীৰ অংশবিশেষ হয়। অন্য ধৰণেৰে ক'বলৈ গ'লে পৰম্পৰা অধ্যয়ন পদ্ধতিত অধ্যয়নীয় কৃতিসমূহ ঐতিহাসিক, কালানুক্ৰমিক আৰু বিধাগত (বা সাহিত্য ৰূপাত্মক) দৃষ্টিৰে সমতাযুক্ত এক বৃহৎ শ্ৰেণীৰ অন্তৰ্গত অংশবিশেষ হয়। ডঃ ইন্দ্ৰনাথ চৌধুৰীয়ে (পৃঃ 50) তুলনামূলক সাহিত্যৰ এই পদ্ধতিৰ সম্পৰ্কত কৈছে, "পৰম্পৰা অধ্যয়নত ৰাষ্ট্ৰীয়তা আৰু অন্তৰ্ৰাষ্ট্ৰীয়তা পৰস্পৰ জটিলভাৱে ওচৰ চাপি আছে। উনবিংশ শতিকাত প্ৰাচ্য বিদ্বানসকলৰ দ্বাৰা সংস্কৃত সাহিত্যৰ (উপনিষদাদি) অনুবাদৰ ফলস্বৰূপে ইয়েট্‌ছ, ইলিয়ট আদি ইংৰাজ কবিসকলৰ কবিতাত ভাৰতীয় পৰম্পৰাৰ অনুপ্ৰৱেশৰ অধ্যয়ন এই ধৰণৰ অধ্যয়ন। এই পৰম্পৰাৰে, দৰ্শনৰ ঠাইত ভক্তিয়ে প্ৰাধান্য লাভ কৰাৰ যি নতুন ৰূপ, তাৰ প্ৰভাৱ সাম্প্ৰতিক কালৰ ইউৰোপীয় তথা মাৰ্কিন ধাৰ্মিক পৰম্পৰাত পৰিলক্ষিত হ'বলৈ ধৰিছে। ফলতঃ বৈষ্ণৱ ভক্তিৰ পৰম্পৰা অধ্যয়নৰ সম্ভাৱনাই আৰু অধিক বিস্তৃতি লাভ কৰিছে। পৰম্পৰা অধ্যয়নৰ অৰ্ন্তগত সাহিত্যৰ ৰূপ (genre), সংস্থিতি (topos), আদিৰো অধ্যয়ন কৰা হয়।" সংস্থিতি অথবা 'topos' অধ্যয়নৰ উদাহৰণ হিচাপে ড° চৌধুৰীয়ে পৰস্পৰ সম্বন্ধৰহিত একাধিক স্ৰোতৰ সাহিত্যত 'শিশুৰ গাত বৃদ্ধ ব্যক্তিৰ সমস্ত গুণ অন্তৰ্নিহিত হৈ থকাৰ ধাৰণা' সম্পৰ্কে অধ্যয়ন কৰাৰ কথা উল্লেখ কৰিছে।

**(৩) প্ৰভাৱ অধ্যয়ন পদ্ধতি**

প্ৰভাৱসূত্ৰ অধ্যয়নৰ ক্ষেত্ৰত দেখ-দেখকৈ দুই পক্ষৰ কথা আছে—প্ৰভাৱক আৰু প্ৰভাৱিত। এই প্ৰভাৱক আৰু প্ৰভাৱিতৰ সম্বন্ধক ভিত্তি কৰি অন্তৰ্ৰাষ্ট্ৰীয় পৰিপ্ৰেক্ষিতত প্ৰভাৱসূত্ৰৰ তুলনামূলক বিচাৰ বি...

Scanned with CamScanner

প্ৰচলন আছে— (ক) প্ৰভাবকৰ অত্যন্ত শক্তিশালী প্ৰভাবৰ ওচৰত প্ৰভাবিতৰ বিবশতা আৰু বশ্যতাৰ প্ৰকাশন আৰু (খ) প্ৰভাবকৰ প্ৰতিভাৰ দ্বাৰা প্ৰভাবিতৰ প্ৰতিভা ধাৰ দিয়া কটাৰীৰ দৰে অধিক তীক্ষ্ণ আৰু চকচকীয়া হৈ পৰা।

প্ৰভাৱসূত্ৰ অধ্যয়নৰ প্ৰথম ধাৰণা অনুসৰি প্ৰভাবিত কৃতি বা কৃতিকাৰ অপ্ৰধান বা গৌণ হৈ পৰে। কোনো কৃতি বা কৃতিকাৰ অন্যৰ দ্বাৰা প্ৰভাবিত হোৱাৰ অৰ্থই হ'ল সেই কৃতি বা কৃতিকাৰৰ মৌলিকতাৰ হ্ৰাস হোৱা। প্ৰভাৱসূত্ৰ অধ্যয়নক কাৰ্যকাৰণবাদৰ লগত জড়িত কৰি অনেকে এই ধৰণৰ অধ্যয়নৰ বিৰোধিতা কৰে। কিয়নো কাৰ্যকাৰণবাদক আশ্ৰয় কৰি কৰা প্ৰভাৱমূলক অধ্যয়নত 'কাৰণ' অৰ্থাৎ প্ৰভাৱক মুখ্য আৰু 'কাৰ্য' অৰ্থাৎ প্ৰভাৱিত গৌণ হৈ পৰে। কিন্তু প্ৰকৃতপক্ষে কোনো এক কৃতি অন্য এক কৃতিৰ 'কাৰণ'ত সৃষ্ট নহয়। প্ৰভাৱক 'অনুকৰণ' অৰ্থত গ্ৰহণ নকৰি 'প্ৰেৰণা' অৰ্থত গ্ৰহণ কৰিলেই তুলনামূলক সাহিত্যত প্ৰভাৱ অধ্যয়ন পদ্ধতি সম্পৰ্কে উদয় হোৱা ভুল বুজাবুজিৰ নিৰাকৰণ সম্ভৱ হৈ উঠিব।

বিৰোধিতাৰ সমুখীন হ'লেও প্ৰভাৱ অধ্যয়ন পদ্ধতিক একপ্ৰকাৰে তুলনামূলক সাহিত্যৰ কেন্দ্ৰীয় পদ্ধতি আখ্যা দিব পাৰি। এই পদ্ধতিৰ কাৰ্যাৱলী বহুমুখী আৰু বিস্তৃত। মূলস্ৰোত বা প্ৰভাৱক অনুসন্ধানৰ উপৰিও প্ৰভাৱিত কৃতি বা কৃতিকাৰে ইয়াক কি ধৰণেৰে প্ৰয়োগ কৰিছে, কেনে ধৰণেৰে নতুন ৰূপ প্ৰদান কৰিছে, কি নতুন সংযোগ কৰিছে—এইবিলাকৰ অধ্যয়ন প্ৰভাৱসূত্ৰ অধ্যয়নৰ ভিতৰুৱা। কোনো কোনো ক্ষেত্ৰত প্ৰভাৱিত বা গ্ৰহীতাই প্ৰভাৱসূত্ৰক এনেদৰে আত্মসাৎ কৰি পেলায় যে প্ৰভাৱকৰ অস্তিত্ব বিচাৰি উলিওৱা জটিল হৈ পৰে। কেতিয়াবা প্ৰভাৱ প্ৰত্যক্ষ ৰূপত নহৈ সম্পূৰ্ণ অপ্ৰত্যক্ষ ৰূপতো হ'ব পাৰে। প্ৰভাৱসূত্ৰৰ অধ্যয়ন ঐতিহাসিক চেতনা, অৰ্থাৎ বৰ্ত্তমানক অতীতৰ উৎপাদন হিচাপে কৰা ধাৰণাৰ আধাৰত কৰা হয়। ইয়াত লেখকৰ সাহিত্যকৰ্মৰ বিচাৰ-বিশ্লেষণৰ লগতে যুগ বিশেষ আৰু শৈলী সম্বন্ধেও বিচাৰ কৰা হয়।

(৪) **স্বীকৃতি অধ্যয়ন পদ্ধতি**

তুলনামূলক সাহিত্যৰ অন্তৰ্গত স্বীকৃতি অধ্যয়ন পদ্ধতিয়ে বৰ্ত্তমান কালত বিশেষ প্ৰসাৰতা লাভ কৰিছে। Ulrich Weisstein নামৰ বিদ্বানে প্ৰভাৱসূত্ৰ অধ্যয়ন পদ্ধতিৰ লগত এই পদ্ধতিৰ সম্বন্ধ নিৰ্ণয় কৰি কৈছে যে সাধাৰণতে প্ৰভাৱসূত্ৰৰ অধ্যয়ন একাধিক পৰিপূৰ্ণ কৃতিৰ মাজত হয়। কিন্তু স্বীকৃতি অধ্যয়ন পদ্ধতিয়ে কৃতিদ্বয়ৰ পাৰস্পৰিক সম্বন্ধৰ লগতে লেখক, পাঠক, সমালোচক, প্ৰকাশককে ধৰি আনুষঙ্গিক পৰিস্থিতিসমূহকো তাৰ বিস্তৃত অধ্যয়ন পৰিসৰত সামৰি লৈছে। Weisstein-ৰ মতে স্বীকৃতি অধ্যয়নে এইদৰে সাহিত্যিক সমাজশাস্ত্ৰ আৰু

Scanned with CamScanner

চিনেমা, আকাশবাণী আৰু দূৰদৰ্শনেও বহুক্ষেত্ৰত মধ্যস্থৰ ভূমিকা পালন কৰে।

তুলনামূলক সাহিত্যৰ সম্প্ৰচাৰণ অধ্যয়নে কোনো কোনো ক্ষেত্ৰত সম্প্ৰচাৰণৰ সুদীৰ্ঘ যাত্ৰাপথৰ আমোদজনক সন্ধান দিয়ে। পঞ্চতন্ত্ৰ, হিতোপদেশ, আদিৰ সাধুকথাবোৰ ভাৰতৰ পৰা অন্য দেশলৈ যাত্ৰামাৰ্গৰ অনুসন্ধান, নিৰ্দ্ধাৰণ নিঃসন্দেহে তথ্যসমৃদ্ধ আৰু আমোদজনকো।

স্বীকৃতি অধ্যয়নৰ ভিতৰতে কেতিয়াবা 'সৌভাগ্য অধ্যয়ন'ৰ প্ৰসঙ্গও আহে। কোনো সাহিত্যকৃতি কোনো বিশেষ বিশেষ কাৰণত যেনে— উচ্চমানৰ পুৰস্কাৰ প্ৰাপ্তি, ৰাজনৈতিক-সামাজিক আদি ক্ষেত্ৰত তৎকালেই বিশেষ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিব পৰা গুণ থকা, আদি কাৰণত বিশেষভাৱে প্ৰসিদ্ধিৰ অধিকাৰী হৈ পৰিব পাৰে। এনে ধৰণে কিবা কাৰণত, কোনো বিশেষ কৃতিয়ে লাভ কৰা সৌভাগ্যৰ ফলস্বৰূপে অন্য সাহিত্য বা লেখকৰ ওপৰত তাৰ প্ৰভাৱৰ অধ্যয়নক সৌভাগ্য অধ্যয়ন বোলা হয়।

### (৫) সম্বন্ধমূলক দ্বন্দ্বাত্মক (dielectic) পদ্ধতি

কোনো কৃতিবিশেষৰ অধ্যয়ন-বিশ্লেষণ আৰু মূল্যাংকনৰ ক্ষেত্ৰত জ্ঞানৰ অন্য অনুশাসন (discipline) বা শাখাসমূহৰ আশ্ৰয় গ্ৰহণে তাক অধিক গভীৰ আৰু ফলপ্ৰসূ কৰি তোলে। বৰ্তমান সময়ত জ্ঞানৰ বিভিন্ন অনুশাসনৰ ন ন আৱিষ্কাৰ আৰু বিশেষকৈ সমাজ বিজ্ঞানৰ ক্ষেত্ৰত হোৱা প্ৰগতিৰ ফলস্বৰূপে আমি লাভ কৰা নতুন নতুন দৃষ্টিভংগীৰদ্বাৰা আমাৰ অধ্যয়ন আলোচনাৰ পদ্ধতি অধিক প্ৰসাৰিত হ'বলৈ ধৰিছে। সাহিত্যৰ আলোচনাইও জ্ঞানৰ অন্য অনুশাসন—দৰ্শন, ইতিহাস, ধৰ্মশাস্ত্ৰ, সমাজবিজ্ঞান, মনোবিজ্ঞান, ৰাজনীতি, সঙ্গীতাদি সুকুমাৰ কলাসমূহৰ লগত সম্পৰ্ক জড়িতভাৱে আগবাঢ়িবলৈ লৈছে। তুলনামূলক সাহিত্যই অন্তৰ্ৰাষ্ট্ৰীয় সন্দৰ্ভবাদৰ আধাৰত সাহিত্য সম্পৰ্কে নানান প্ৰশ্নৰ সমাধানৰ যত্নৰ লগতে সাহিত্য আৰু জ্ঞানৰ অন্য শাখা-প্ৰশাখাসমূহৰ পাৰস্পৰিক সম্বন্ধ, প্ৰভাৱ আৰু সিবিলাকৰ সমান্তৰাল অধ্যয়নৰ দিশতো পদ্ধতিগতভাৱে আগবাঢ়ে। অন্য প্ৰকাৰে ক'বলৈ গ'লে তুলনামূলক সাহিত্যৰ এই পদ্ধতি পাৰস্পৰিক সম্বন্ধৰ মাধ্যমেৰে গতিশীল হয়। তুলনামূলক সাহিত্যৰ এই পদ্ধতিকে সম্বন্ধমূলক দ্বন্দ্বাত্মক পদ্ধতি বোলা হৈছে। অসমৰ সত্ৰীয়া মূৰ্ত্তিকলাত ভাগৱৎ পুৰণসমূহৰ প্ৰভাৱ আছে। 'সত্ৰীয়া মূৰ্ত্তিকলা আৰু পৌৰাণিক সাহিত্য' জাতীয় বিষয়ত কৰা অধ্যয়ন এই পদ্ধতিৰ হ'ব।

### (৬) তুলনামূলক আলোচনা পদ্ধতি

সাধাৰণ দৃষ্টিৰে তুলনামূলক আলোচনাকে তুলনামূলক সাহিত্য বুলি ভুল কৰা ... সাহিত্যৰ পদ্ধতি বিশেষহে।

Scanned with CamScanner

আলোচনাৰ লগত 'তুলনামূলক' শব্দৰ সংযোজনে পোনপটীয়াকৈ ৰাষ্ট্ৰীয় অথবা প্ৰাদেশিক সীমাৰ অতিক্ৰমণ কৰা আলোচনাৰ কথা বুজায়। একক সাহিত্যৰ অধ্যয়নতো প্ৰসঙ্গক্ৰমে বা আনুষঙ্গিকভাৱে তুলনাৰ সহায় লোৱা হয়। কিন্তু তুলনামূলক আলোচনাত প্ৰণালীবদ্ধভাৱে তুলনাৰ আশ্ৰয় লোৱা হয়। তদুপৰি তুলনামূলক আলোচনা সাহিত্য অধ্যয়নৰ এক বিস্তৃত ক্ষেত্ৰৰ লগত জড়িত তথা মানৱীয় জ্ঞানৰ অন্য শাখাসমূহকো সামৰি লোৱাৰ বাবে এক বিস্তৃত পটভূমিসম্বলিত। তুলনামূলক আৰু ব্যতিৰেকী (বৈষম্য অধ্যয়ন) পদ্ধতি তুলনামূলক আলোচনা পদ্ধতিৰ মূল অংগ। □

Scanned with CamScanner